# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনিখন বাজেটত্তোৰ ৱেবিনাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি চৰকাৰী কাৰ্যসূচীৰে ব্ৰিটেইন আৰু আয়াৰলেণ্ডলৈ যাত্ৰা কৰিব।

৩। নিৰ্বাচন আয়োগে আজিৰে পৰা ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য নিৰ্বাচনী বিষয়াসকলৰ বাবে নতুন দিল্লীত এখন দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে।

৪। বলিভিয়াৰ ঘাইপথত কালি ট্ৰাক আৰু বাছৰ মাজত লগা খুন্দিয়াখুন্দিৰ ফলত কমেও ৩১ জন লোক নিহত আৰু আন ২২ জন লোক আহত হয়। *আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ডুবাইত আজি ভাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনিখন বাজেটত্তোৰ ৱেবিনাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব। বিকাশৰ চালিকা শক্তি হিচাপে এম এছ্ এম ই খণ্ড, ৰপ্তানী আৰু পাৰমাণৱিক শক্তি অভিযান, সামগ্ৰী উৎপাদন, বিনিয়োগ, নিয়ন্ত্ৰক আৰু ব্যৱসায়িক সুচলতাৰ সংস্কাৰ সাধন সন্দৰ্ভত এই ৱেবিনাৰকেইখন অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা এই ৱেবিনাৰে চৰকাৰী বিষয়া, ঔদ্যোগিক নেতা আৰু বাণিজ্য বিশেষজ্ঞসকলক একেখন মঞ্চতে ভাৰতৰ ঔদ্যোগিক, বাণিজ্য আৰু শক্তিখণ্ডত কৌশলতাৰে কাম কৰাৰ বাবে সুযোগ দিব। আলোচনাত বাজেটত গ্ৰহণ কৰা পৰিৱৰ্তনকামী সিদ্ধান্তসমূহ নিয়াৰিকৈ সম্পাদন কৰাটো নিশ্চিত কৰাৰ অৰ্থে নীতিসমূহ কাৰ্যকৰীকৰণ, বিনিয়োগৰ সা-সুবিধা আৰু প্ৰয়োজনীয় প্ৰযুক্তি গ্ৰহণ সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ব্যক্তিগত খণ্ডৰ বিশেষজ্ঞ, ঔদ্যোগিক প্ৰতিনিধি আৰু বিষয়বস্তু বিশেষজ্ঞসকলেও এই আলোচনাত বাজেটৰ সিদ্ধান্তসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

ooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি চৰকাৰী কাৰ্যসূচীৰে ব্ৰিটেইন আৰু আয়াৰলেণ্ডলৈ যাত্ৰা কৰিব। ভ্ৰমণৰ সময়ছোৱাত বিদেশ মন্ত্ৰীগৰাকীয়ে দেশখনৰ বিদেশ সচিব ডেভিড লেমিৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰত আৰু ব্ৰিটেইনৰ মাজত সৰ্বাংগীণ কৌশলগত সহযোগিতা আছে আৰু প্ৰতিৰক্ষা, নিৰাপত্তা, বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য, শিক্ষা আৰু উভয় ৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি বিভিন্ন খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী হৈ উঠিছে। আয়াৰলেণ্ডৰ দুদিনীয়া ভ্ৰমণসূচীত ড০ জয়শংকৰে দেশখনৰ বিদেশ মন্ত্ৰী ছাইমন হেৰিছৰ লগতে

অন্যান্য বিষয়াবৰ্গকো সাক্ষাৎ কৰিব। তাত তেওঁ প্ৰবাসী ভাৰতীয় লোকসকলকো সাক্ষাৎ কৰিব। ভাৰত আৰু আয়াৰলেণ্ডৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে আৰু উভয় ৰাষ্ট্ৰৰ মাজৰ গণতান্ত্ৰিক প্ৰমূল্য, সাংস্কৃতিক বান্ধোন তথা বৰ্ধিত অৰ্থনৈতিক কাৰ্যসূচীয়ে ইয়াক অধিক সুদৃঢ় কৰি তুলিছে।

ooooo

ভাৰত আৰু নেপালে কালি নতুন দিল্লীত জল পৰিষ্কৰণ, স্বাস্থ্যবিধি আৰু আৱৰ্জনা ব্যৱস্থাপনা খণ্ডত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ মূল উদ্দেশ্য হৈছে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধিৰ লগতে স্বচ্ছ জল তথা স্বাস্থ্যবিধি খণ্ডত সহযোগিতা অধিক শক্তিশালী কৰি তোলা। অনুষ্ঠানত ভাষণ দি জলশক্তি মন্ত্ৰী চি আৰ পাটিলে কয়, যে এই চুক্তি স্বাক্ষৰ হোৱা কাৰ্যই উভয় ৰাষ্ট্ৰৰ জনস্বাস্থ্য, আঞ্চলিক সহযোগিতা আৰু বহনক্ষমতা বৃদ্ধিৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। এই চুক্তিয়ে ভাৰত আৰু নেপালৰ মাজত সহযোগিতাৰ দিশত এটা নতুন দিশৰ সূচনা কৰিলে। ইয়াৰ জৰিয়তে উভয় ৰাষ্ট্ৰই জনসাধাৰণৰ কল্যাণ আৰু উন্নত ভৱিষ্যতৰ বাবে একেলগে কাম কৰাটো সুনিশ্চিত হ'ব বুলি আশা কৰা হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰ সমাজৰ সকলো শ্ৰেণীৰ লোকৰে জীৱন-ধাৰণৰ মান উন্নত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি অসামৰিক বিমান পৰিবহণ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী মূৰলীধৰ মহলে দোহাৰিছে। নাগালেণ্ডৰ মুককচাং জিলা ভ্ৰমণ কৰি কালি শ্ৰীমহলে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ ৰূপায়ণৰ বাবে গ্ৰহণ কৰা নীতি আৰু কাৰ্যসূচীসমূহ পৰ্যালোচনা কৰে। ৰাজ্যখনৰ কেইবাগৰাকীও মন্ত্ৰী, বিভিন্ন বিভাগৰ মুৰববী আৰু সমাজৰ গণ্যমান্য ব্যক্তি সকলৰ সৈতে হোৱা এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ ভৌগোলিক অৱস্থানৰ বাবে দেখা দিয়া বিভিন্ন প্ৰত্যাহ্বান স্বত্বেও ৰাজ্য চৰকাৰে আঁচনিসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰা বুলি মত প্ৰকাশ কৰে।

ooooo

সীমান্ত সুৰক্ষা বাহিনী বি এছ এফে ভাৰত-পাকিস্তান সীমান্তৰ অমৃসৰত কালি এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গুলীয়াই নিহত কৰে। বি এছ এফৰ সূত্ৰই আকাশবাণীক জনোৱা মতে সেনাবাহিনীয়ে অনুপ্ৰৱেশকাৰীজনে ঘেঁহু খেতিৰ আঁৰ লৈ সীমান্ত পাৰ হৈ আহি বি এছ এফৰ কাইঁটীয়া তাঁৰৰ দিশে সন্দেহজনক গতিবিধিৰে আহি থকা প্ৰত্যক্ষ কৰে। সেনাবাহিনীয়ে তেওঁক বাধা দিবলৈ চেষ্টা কৰাত আক্ৰমণাত্মক গতিৰে অনুপ্ৰৱেশকাৰীজনে কাইঁটীয়া তাঁৰৰ বেৰৰ দিশে দৌৰিবলৈ ধৰাত গুলীচালনা কৰিবলৈ বাধ্য হয়। শেহতীয়াকৈ অনুপ্ৰৱেশৰ চেষ্টাত হোৱা এইটো দ্বিতীয় ঘটনা। যোৱা বুধবাৰে পাথানকোটৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বি এছ এফে আন এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গুলীয়াই নিহত কৰিছিল।

ooooo

নিৰ্বাচন আয়োগে আজিৰে পৰা ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য নিৰ্বাচনী বিষয়াসকলৰ বাবে নতুন দিল্লীত এখন দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীখনৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন পৰিচালনা প্ৰতিষ্ঠানত এই সন্মিলন অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰে কাৰ্যভাৰ গ্ৰহণৰ পাছত এয়া হৈছে এনেধৰণৰ প্ৰথমখন সন্মিলন। এই দুদিনীয়া সন্মিলনে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচনী বিষয়াবোৰৰ প্ৰত্যেককে বুদ্ধিমত্তা আৰু পাৰস্পৰিক শিকন অভিজ্ঞতা বিনিময়ৰ এখন মঞ্চ দিব। এই সন্মিলনত IT Architecture, ফলপ্ৰসূ যোগাযোগ ব্যৱস্থা,

সামাজিক মাধ্যম ব্যৱহাৰৰ প্ৰসাৰ বৃদ্ধিৰ লগতে আধুনিক নিৰ্বাচন ব্যৱস্থাপনাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

ooooo

প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে কালি ভাৰতীয় বায়ুসেনাৰ সামৰ্থ বৃদ্ধি কৰাৰ বাবে সৰলীকৰণ সমিতিৰ প্ৰতিবেদন প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক দাখিল কৰে। এই সমিতিয়ে মূল ক্ষেত্ৰসমূহ চিনাক্ত কৰি ভাৰতীয় বায়ুসেনাৰ আকাংক্ষিত সামৰ্থৰ লক্ষ্যত উপনীত হ'বলৈ হ্ৰস্ব, মধ্য আৰু দীৰ্ঘম্যাদী কাৰ্যপন্থা ৰূপায়ণৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। এই প্ৰতিবেদনে এৰ'স্পেছ ক্ষেত্ৰখনত ভাৰতৰ আত্মনিৰ্ভৰতা বৃদ্ধিৰ বাবে গুৰুত্ব প্ৰদান কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে সৰলীকৰণ সমিতিৰ এই প্ৰচেষ্টাৰ শলাগ লৈ পৰামৰ্শসমূহ নিৰ্ধাৰিত সময়তে ফলপ্ৰসূ কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

ভাৰত ভ্ৰমণৰত বেলজিয়ামৰ ৰাজকুমাৰী এষ্ট্ৰিদে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। কালি উভয় ৰাষ্ট্ৰই ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিশেষকৈ সামুদ্ৰিক খণ্ডত প্ৰতিৰক্ষা সহযোগিতাৰ সম্ভাৱনাৰ বিষয়ত আলোচনাত মিলিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ কালি নতুন দিল্লীত বেলজিয়ামৰ প্ৰতিৰক্ষা মন্ত্ৰী থেঅ' ফ্ৰেনকেন আৰু দেশখনৰ ৰাজকুমাৰী এষ্ট্ৰিদৰ সৈতে বৈঠকত মিলিত হৈছিল। বৈঠকত দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষাৰ উদ্যোগিক সহযোগিতা বৃদ্ধি কৰাৰ সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বেলজিয়ামৰ বিনিয়োগকাৰীসকলক ভাৰতৰ প্ৰতিৰক্ষা খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনায়। শ্ৰীসিঙে কয় যে, বেলজিয়ামৰ কোম্পানীসমূহে ব্যাপক পৰিমাণৰ বিনিয়োগেৰে ভাৰতত তেওঁলোকৰ ব্যৱসায় সম্প্ৰসাৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই ক্ষেত্ৰত ভাৰতীয় ব্যৱসায়ীসকলৰ সৈতে সহযোগিতাৰে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। দুয়োখন দেশে প্ৰতিৰক্ষা সহযোগিতাৰ এটা পৰিকাথামো গঢ়ি তোলাৰ বাবে চুক্তি সম্পাদন কৰাত সন্মতি প্ৰকাশ কৰে।

ooooo

বলিভিয়াৰ ঘাইপথত কালি ট্ৰাক আৰু বাছৰ মাজত লগা খুন্দিয়াখুন্দিৰ ফলত কমেও ৩১ জন লোক নিহত আৰু আন ২২ জন লোক আহত হয়। দেশখনৰ আৰক্ষীৰ মুখপাত্ৰই লিমবাৰ্ট চ'কে জনোৱা মতে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনৰ চালকগৰাকীক গ্ৰেপ্তাৰ কৰাৰ লগতে ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে।

ooooo

বাংলাদেশৰ ঢাকাত গৃহ পৰিক্ৰমা উপদেষ্টা জাহাঙ্গীৰ আলম চৌধুৰীৰ বিৰুদ্ধে জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ মহিলাৰে গঠিত এখন মঞ্চই এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে। শেহতীয়াকৈ ঢাকাত দুগৰাকী ছোৱালীক কৰা বৰ্বৰ আক্ৰমণৰ প্ৰতিবাদ জনাই মহিলা মঞ্চই উপদেষ্টা জাহাঙ্গীৰ আলম চৌধুৰীক পদৰ পৰা আঁতৰ কৰোৱাৰ দাবী তুলিছে। উপদেষ্টা চৌধুৰীয়ে ছোৱালী দুজনীৰ ওপৰত হোৱা আক্ৰমণক ন্যায়সংগত বুলি মন্তব্য কৰিছিল।

উল্লেখযোগ্য যে যোৱা ১ মাৰ্চত ঢাকাৰ লালমাটিয়া অঞ্চলৰ এন এইচ এ টাৱাৰৰ সমীপত দুগৰাকী ছোৱালী গণপ্ৰহাৰৰ সন্মুখীন হৈছিল। তেওঁলোকক ধুম্ৰপান কৰাৰ অভিযোগ তুলি এই আক্ৰমণ কৰা বুলি

ভুক্তভোগী ছোৱালী এগৰাকীয়ে প্ৰকাশ কৰিছিল। এই আক্ৰমণৰ ঘটনাৰ বাবে দেশখনৰ বহুলোকে সামাজিক মাধ্যমত প্ৰতিবাদ কৰিছিল।

ইয়াৰ এসপ্তাহ পূৰ্বে ঢাকা বিশ্ববিদ্যালয়ৰ এদল ছাত্ৰই বিশ্ববিদ্যালয়ৰ চৌহদত এই ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি অনতিপলমে গৃহ পৰিক্ৰমা উপদেষ্টাগৰাকীৰ পদত্যাগৰ দাবী তুলিছিল। উপদেষ্টাগৰাকীয়ে দেশখনৰ আইন শৃংখলাজনিত পৰিস্থিতি চম্ভালাত ব্যৰ্থ হোৱা বুলি ছাত্ৰ সমাজে অভিযোগ উত্থাপন কৰিছিল।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলতডুবাইত আজি ভাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। গ্ৰুপ-এত থকা ভাৰতে ডুবাইত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰি আটাইকেইখন মেচত জয়লাভ কৰাৰ সুবাদত গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰে। নিউজিলেণ্ডে অহা বুধবাৰে লাহোৰত গ্ৰুপ-বিৰ বিজয়ী দল দক্ষিণ আফ্ৰিকাৰ সৈতে দ্বিতীয়খন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত